# 2022

## ASSAMESE

Paper : ASM–HC–2026

**( Sahitya Samalochana )**

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। যি কোনো দহটা প্ৰশ্নৰ উত্তৰ লিখা : ১×১০=১০

(ক) ৰসতত্ত্বৰ প্ৰৱৰ্তক কোন?

(খ) স্থায়ীভাব কেইটা?

(গ) শব্দ শক্তি কেইপ্ৰকাৰৰ?

(ঘ) 'ধ্বন্যালোক' গ্ৰন্থখনৰ ৰচক কোন?

(ঙ) গুণ-ৰীতিবাদৰ প্ৰধান প্ৰবক্তা কোন?

(চ) কবিতাত চিত্ৰকল্পবাদী আন্দোলনৰ গুৰিধৰোঁতা কবিগৰাকীৰ নাম কি?

(ছ) এগৰাকী অসমীয়া চিত্ৰকল্পবাদী কবিৰ নাম লিখা।

(জ) প্ৰতীকবাদী সাহিত্য ক'ত গঢ় লৈ উঠিছিল?

(ঝ) ট্ৰেজেডি শব্দটোৰ উৎপত্তি ক'ৰ পৰা হৈছে?

(ঞ) এৰিষ্ট'টলে কিহক ট্ৰেজেডিৰ আত্মা বুলি কৈছে?

(ট) আয়নেস্ক'ৰে ৰচনা কৰা এখন এবচাৰ্ড নাটকৰ নাম লিখা।

(ঠ) আলব্যেৰ কেমুৱে কোনখন গ্ৰন্থত এবচাৰ্ড শব্দটোৰ ব্যাখ্যা আগবঢ়াইছিল?

(ড) বাৰ্টল্ড ব্ৰেখট কোন দেশৰ নাট্যকাৰ?

(ঢ) উপন্যাসক কোনে পকেট থিয়েটাৰ বুলি কৈছিল?

(ণ) কোনজন গল্পকাৰৰ হাতত অসমীয়া চুটিগল্পৰ জন্ম হৈছিল?

২। চমুকৈ উত্তৰ লিখা (যি কোনো **পাঁচটা**) : ২×৫=১০.

(ক) ভাৰতীয় অলংকাৰ শাস্ত্ৰত ব্যঞ্জনা মানে কি বুজা যায়?

(খ) ৰীতি কাক বোলে? ৰীতিকেই কাব্যৰ আত্মা বুলি কোনে কৈছিল?

(গ) বিভাবৰ প্ৰকাৰ দুটাৰ নাম লিখা।

(ঘ) প্ৰতীকবাদৰ দুগৰাকী মুখ্য প্ৰবক্তাৰ নাম লিখা।

(ঙ) বিভিন্ন সমালোচকৰ সমালোচনাৰ আঁত ধৰি কেথাৰছিছ শব্দটোৰ দুটা অৰ্থ লিখা।





(চ) কি উদ্দেশ্যেৰে ব্ৰেখটে নতুন নাট্যৰীতিৰ সৃষ্টি কৰিছিল?

(ছ) এবচাৰ্ড নাটকৰ দুটা বৈশিষ্ট্য লিখা।

(জ) গাঁথনিৰ আধাৰত উপন্যাসৰ কাহিনীক কি কি ভাগত ভগাব পাৰি?

৩। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ভৰত মুনিৰ ৰসৰ সূত্ৰটো তোমাৰ ভাষাৰে ব্যাখ্যা কৰা।

(খ) কাব্যৰ গুণ মানে কি? ভামহে উল্লেখ কৰা তিনি প্ৰকাৰৰ গুণৰ নাম লিখা।

(গ) ধ্বনিকাব্য কাক বোলে? ধ্বনিকাব্যক কিয় উত্তম কাব্য বুলি কোৱা হয়?

(ঘ) কবিতাত কল্পনাৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

(ঙ) এৰিষ্ট'টলৰ *Poetics*-ত থকা আলোচনাৰ আধাৰত ট্ৰেজেডিৰ নায়কৰ গুণাৱলীৰ বিষয়ে লিখা।

(চ) উপন্যাসৰ চৰিত্ৰ সম্পৰ্কে নাতিদীৰ্ঘ আলোচনা আগবঢ়োৱা।

(ছ) আঞ্চলিক উপন্যাসৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা।

(জ) চুটিগল্পৰ বৈশিষ্ট্যবোৰ আলোচনা কৰি এটা নিবন্ধ যুগুত কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) ভৰতৰ মতে ৰস কেইপ্ৰকাৰৰ আৰু কি কি? যি কোনো তিনি প্ৰকাৰ ৰসৰ বিষয়ে আলোচনা কৰা।

(খ) ভাৰতীয় অলংকাৰ শাস্ত্ৰত ধ্বনিতত্ত্বৰ প্ৰধান প্ৰবক্তা কোন? ধ্বনিতত্ত্বৰ মূল কথাখিনি তোমাৰ ভাষাৰে বুজাই লিখা।

(গ) শিল্প সাহিত্যত প্ৰতীকবাদী আন্দোলন কিদৰে বিকশিত হৈছিল, আলোচনা কৰা।

(ঘ) 'অসমীয়া কবিতাত প্ৰতীকৰ প্ৰয়োগ' এই বিষয়ে এটি নিবন্ধ যুগুত কৰা।

(ঙ) চিত্ৰকল্পবাদৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা।

(চ) এৰিষ্ট'টলৰ মতে ট্ৰেজেডিৰ উপাদান কেইটা আৰু কি কি? প্ৰধান উপাদান তিনিটাৰ বিষয়ে আলোচনা কৰা।

(ছ) ব্ৰেখটীয় নাট্যশৈলীৰ কলা-কৌশল সম্পৰ্কে আলোচনা কৰা।

(জ) যি কোনো এটা অসমীয়া চুটিগল্পৰ আধাৰত চুটিগল্পৰ ইংগিতময়তা সম্পৰ্কে আলোচনা কৰা।

(ঝ) উপন্যাস আৰু চুটিগল্পৰ প্ৰভেদসমূহ বিচাৰ কৰা।

(ঞ) "বিষয়বস্তু, ভাববস্তু আৰু ৰূপবস্তুৰ প্ৰকাৰভেদে উপন্যাসৰ বহু বিভিন্ন ৰূপ।" এই বক্তব্যৰ আলমত যি কোনো দুটা ৰূপৰ বিষয়ে আলোচনা কৰা।

★★★